## অধ্যক্ষ-প্ৰবক্তাসহ ছাত্ৰ-ছাত্ৰীৰ সমদল

# নৱজ্যোতি মহাবিদ্যালয়ৰ মাটি বেদখলমুক্ত কৰাৰ দাবী কলগাছিয়াত

আমাৰ খবৰ, কলগাছিয়া, ২১ ছেপ্টেম্বৰ ঃ বৰপেটা জিলাৰ কলগাছিয়াত নৱজ্যোতি মহাবিদ্যালয়ৰ মাটি বেদখল কৰাৰ অভিযোগ তুলি আজি দুপৰীয়া এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। উল্লেখযোগ্য যে নৱজ্যোতি মহাবিদ্যালয়ৰ নামত থকা কলগাছিয়া ঈদগাহৰ ওচৰৰ এক বিঘা মাটি কলগাছিয়াৰ তহৰ আলী নামৰ এজন ব্যক্তিয়ে জালিয়াতি কৰি মাটিডৰা গোপনে নিজৰ নামত কৰি লোৱাৰ লগতে মাটিত বাঁহৰ বেৰ আৰু বাঁহৰ খুঁটা পুতি ঘৰ বনাবলৈ আৰম্ভ কৰাত আজি কলেজখনৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে মিলি কলেজ চৌহদৰ পৰা প্ৰতিবাদী সমদল উলিয়াই কলগাছিয়া চাৰিয়ালি চকৰ মাজেদি মাটিৰ ওচৰত উপস্থিত হৈ কলেজৰ মাটি বেদখল কৰা নচলিব, জালিয়াতি কৰা ব্যক্তি হুচিয়াৰ, কলেজৰ মাটি ওভতাই দিয়ক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে অভিযোগ কৰি কয় যে তহৰ আলী নামৰ ব্যক্তিজনে মৃত ব্যক্তিৰ চহী জালিয়াতি কৰাৰ লগতে যিজন ব্যক্তিয়ে সাক্ষী দিয়া বুলি উল্লেখ কৰিছে তেওঁ চহী কৰাৰ পূৰ্বেই মৃত্যুবৰণ কৰা বুলি ব্যক্তিজনৰ মৃত্যু পঞ্জীয়নত উল্লেখ আছে। তদুপৰি অতি শীঘ্ৰে কলেজৰ মাটি বেদখলমুক্ত নকৰিলে আন্দোলনকাৰী ছাত্ৰ-ছাত্ৰীসকলে জংগী আন্দোলন গঢ়ি তুলিব বুলিও ভাবুকি প্ৰদান কৰিছে। ইফালে নুৰুল ইছলাম, মহিৰ উদ্দিন আৰু ওৱাহাব আলীয়ে অভিযোগ কৰা মতে কলগাছিয়া গাঁৱৰ তহৰ আলীৰ পৰিয়ালে ১৯৭১ চনত কলেজ স্থাপন কৰাৰ সময়ত কলেজৰ নামত ১ বিঘা মাটি দান কৰে। অৱশ্যে পাছলৈ ২০১০ চনত সেই সময়ৰ অধ্যক্ষ মতিয়াৰ ৰহমানৰ পৰা কলেজৰ নামত দান কৰা মাটি পুনৰ ঘূৰাই আনি তহৰ আলীৰ নামত নামজাৰি কৰে। ইফালে ২০১৫ চনত তহৰ আলীয়ে পুনৰ উক্ত ১ বিঘা মাটি গাঁওখনৰে নজৰুল ইছলাম, মুহিৰ উদ্দিন আহমেদ আৰু ওৱাহাব আলীৰ ওচৰত বিক্ৰী কৰে। ইয়াৰ পাছত উপৰোক্ত তিনিওজনে ২০১৬ চনত আজগৰ আলীৰ ওচৰত দলিলমূলে বিক্ৰী কৰে। বৰ্তমান মাটিখিনি আজগৰ আলীৰ দখলত আছে। কলেজৰ মাটি জালিয়াতিৰে নামজাৰি কৰা হোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে। সম্প্ৰতি ঘটনাটোক লৈ যোৱা কিছু দিন ধৰি দুয়োপক্ষৰ মাজত টনা আঁজোৰা চলি আছে যদিও আজি হঠাতে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ কৰাত এলেকাটোত তীব্ৰ উত্তেজনা বিৰাজ কৰা পৰিলক্ষিত হৈছে।